অধ্যায় ৭ ঃ বাতৰি প্ৰমূল্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বাতৰি প্ৰমূল্য
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্ৰগতিৰ খতিয়ান
৭.৭ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'বাতৰি প্ৰমূল্য'ৰ সংজ্ঞা দিব পাৰিব
- 'বাতৰি প্ৰমূল্য' সৃষ্টি কৰা উপাদানবোৰৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি হাৰ্ড আৰু ছফ্‌ট্ বাতৰিৰ ধাৰণা আৰু দুয়োবিধ বাতৰিৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে পঢ়িছিল। লগতে আপুনি সংবাদৰ মৌলিক নীতি আৰু ভাল বাতৰি এটাৰ গুণবোৰৰ বিষয়েও চমু আভাস কৰিছিল। এই অধ্যায়টিত আপুনি বিভিন্ন ধৰণৰ সংবাদ প্ৰমূল্যৰ বিষয়ে জনাৰ সুযোগ পাব।

৭.৩ বাতৰি প্ৰমূল্য

বাতৰি প্ৰমূল্য হৈছে বাতৰিৰ বৈশিষ্ট্য। আগতে উল্লেখ কৰাৰ দৰে বাতৰি হিচাপে কোনো ঘটনা পৰিগণিত হ'বলৈ হ'লে তাৰ বাতৰি প্ৰমূল্য থাকিব লাগিব।

এটা সংবাদ প্ৰতিষ্ঠানে বাতৰি এটাক কিমান গুৰুত্ব দিব আৰু দৰ্শকে কিমান মনোযোগ দিব সেয়া বাতৰি প্ৰমূল্যই (কেতিয়াবা বাতৰি বিচাৰ মান/News criteria বুলিও কোৱা হয়)

নিৰ্ধাৰণ কৰে। এ.বয়ডে [Boyd.A., (1994), Broadcast Journalism, Techniques of Radio and TV News, Oxford : Focal] কৈছে, "সাংবাদিকতাৰ এটা বহুলভাৱে মানি লোৱা প্ৰমূল্য সংহতি আছে। ইয়াৰ প্ৰায়েই 'সংবাদযোগ্যতা' (Newsworthiness) বুলি কোৱা হয়...।" বাতৰি প্ৰমূল্য সাৰ্বজনীন নহয়। বিভিন্ন সংস্কৃতিৰ মাজত বাতৰি প্ৰমূল্যৰ যথেষ্ট তফাৎ থাকিব পাৰে।

সেয়েহে সকলো সাংবাদিকে (তেওঁলোকে সংবাদদাতা হওক বা নিউজ ডেস্কতেই কাম কৰক) বাতৰিৰ এই বৈশিষ্ট্য সম্পৰ্কে তেওঁলোকৰ স্পষ্ট ধাৰণা থকা উচিত। এতিয়া আমি এটা এটাকৈ বাতৰিৰ এই বৈশিষ্ট্যবোৰ আলোচনা কৰিম।

কালসংগতি (Timeliness)

সাঁচি থোৱা বাতৰিৰ কোনো মূল্য নাই। তাৰ অৰ্থ বহুত দিন পূৰ্বে ঘটা অথবা এদিন আগেয়ে ঘটা এটা ঘটনাৰ পটুৱৈৰ বাবে কোনো মূল্য নাই। যদিহে সেই ঘটনাটো ইতিমধ্যে অন্য সংবাদ মাধ্যমত প্ৰকাশ পাইছে। তথ্যটো যিটো সংবাদ মাধ্যমত প্ৰকাশ পাব, তাৰ প্ৰকাশন চক্ৰ (Publication cycle)ৰ আধাৰতে কালসংগতিৰ অৰ্থ নিৰ্ণয় হয়।

- এখন সাপ্তাহিক সংবাদ আলোচনীৰ বাবে আগৰ সপ্তাহটোত সংঘটিত হোৱা ঘটনাবোৰ কালসংগত হ'ব।
- আনহাতে, এখন দৈনিক বাতৰিকাকতৰ বাবে বাতৰি কাকতখনৰ শেহতীয়া সংস্কৰণৰ পৰৱৰ্তী ২৪ ঘণ্টাৰ ভিতৰত ঘটা ঘটনাবোৰ কালসংগত হ'ব।
- অনাতাঁৰ বা দূৰদৰ্শন মাধ্যমৰ বাবে পূৰ্বৰ কেইঘণ্টামানৰ পৰা শেষৰ আধা ঘণ্টালৈকে সংঘটিত হোৱা ঘটনাবোৰ কালসংগত হ'ব।

প্ৰতিজন সাংবাদিকে ঘটনা আৰু অনুষ্ঠান সময় মতে পৰিৱেশন কৰাত সততে অগ্ৰাধিকাৰ দিয়া উচিত। বাতৰি সময় মতে নাপালে তাৰ বিশ্বাসযোগ্যতা আৰু গুৰুত্ব হেৰাই যায়।

বাহী বাতৰি পঢ়িবলৈ কোনো পটুৱৈয়ে উৎসাহী নহয়। সেয়েহে বাতৰিক পৃথিৱীৰ সকলোতকৈ লেহুকা পণ্য হিচাপে গণ্য কৰা হয়। সেই বাবেই দিনটোৰ উপৰি সন্ধিয়া আৰু শেষ নিশাৰ প্ৰধান ঘটনাৱলীৰ খবৰ আমি পুৱাৰ কাকতখনত পঢ়িবলৈ পাওঁ।

আজিৰ দূৰদৰ্শন আৰু ইণ্টাৰনেটৰ যুগত আৰু শীঘ্ৰে বাতৰি পৰিৱেশনত গুৰুত্ব দিয়া হৈছে। দূৰদৰ্শনত অবিশ্বাস্য কম সময়ৰ ব্যৱধানত 'ঘটি থকা সময়তে' বাতৰি পৰিৱেশনৰ ব্যৱস্থা কৰা হৈছে। দৰ্শকসকলে পৃথিৱীৰ দুৰ্গম প্ৰান্তত ঘটা ঘটনা এটাও দূৰদৰ্শনৰ পৰ্দাত প্ৰতিফলিত হোৱাৰ লগে লগে পৰৱৰ্তী ঘটনাৱলী ৰুদ্ধশ্বাসে নতুন তথ্য প্ৰতি মুহূৰ্তত যোগ দিয়া হয় আৰু ঘটনা এটা ঘটাৰ লগে লগে তাৰ সংবাদ পোৱাৰ লগতে দিনটোৰ ভিতৰত পোৱা আনুষংগিক সকলো তথ্য, মুখ্যাংশ আৰু আঁৰৰ কথা যোগান ধৰা হয়।

গুৰুত্ব (Importance)

জনসাধাৰণৰ কাৰণে গুৰুত্ব বহন কৰা তাৎপৰ্যপূৰ্ণ ঘটনা বাতৰি হিচাপে বিবেচিত হ'বই লাগিব। যিকোনো গুৰুত্বপূৰ্ণ কথা; যেনে— সংসদ বা বিধান সভাত বিত্ত আৰু ৰে'ল বাজেট উত্থাপন, কোনো চৰকাৰী উন্নয়ন আঁচনিৰ ঘোষণা, কোনোবা দেশৰ বিদেশমন্ত্ৰীৰ ভাৰত আগমন বা আমাৰ বিদেশমন্ত্ৰীৰ কোনো দেশ ভ্ৰমণ, চুবুৰীয়া দেশৰ পৰা অহা সামৰিক ভাবুকি, হত্যা-ধৰ্ষণৰ ঘটনা- এনে সকলোবোৰ গুৰুত্বপূৰ্ণ ঘটনাৰ তথ্য মানুহক তৎকালেই দিব লাগে। আনহাতে যি ঠাইৰ পৰা কাকতখন প্ৰকাশিত বা নিউজ বুলেটিনখন সম্প্ৰচাৰিত হয় সেই ঠাইৰ বাবে গুৰুত্বপূৰ্ণ ঘটনা আৰু বাতৰিয়েও তাত অগ্ৰাধিকাৰ পাব লাগে।

তলত দিয়া বাতৰিটোৰ পৰা গম পোৱা গ'ল যে ৰাজ্যৰ উন্নতিৰ বাবে বহুতো গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম হাতত লোৱা হৈছে।

গাডকাৰীয়ে ৰাজ্যত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিলে

গুৱাহাটী, ফ্ৰেব্ৰুৱাৰী ২৭ ঃ পথ পৰিবহণ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু জাহাজ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী নিতীন জয়ৰাম গাডকাৰীয়ে আজি দুখন দলং নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰে এখন দলঙে উত্তৰ লখিমপুৰৰ পৰা নদীদ্বীপ মাজুলী হৈ যোৰহাটৰ সৈতে আৰু আনখনে লখিমপুৰৰ পৰা দিচাংমুখ হৈ শিৱসাগৰৰ সৈতে সংযোগ স্থাপন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাৰ মৰাণত চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নং ৩৭ৰ নিৰ্মাণ প্ৰকল্পটোৰো আধাৰশিলা স্থাপন কৰে।

সংঘাত (Conflict)

সংঘাত বা দ্বন্দ্ব প্ৰতিখন সমাজৰে অংশ। বিভিন্ন ভাষা, জনগোষ্ঠী, মতাদৰ্শ আৰু ভৌগোলিক অঞ্চলৰে গঠিত সমাজ এখনত সংঘাত অৱশ্যম্ভাৰী। অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন সময়ত বিভিন্ন কাৰকৰ দ্বাৰা সংঘাতজৰ্জৰ হৈছে। পাৰমাণৱিক যুদ্ধ, সন্ত্ৰাসবাদীৰ উন্মাদনা, সাম্প্ৰদায়িক সংঘৰ্ষ, ৰাজনৈতিক অস্থিৰতা, আত্মপৰিচয়ৰ সংগ্ৰাম আদি এশ এবুৰি সমস্যা আৰু দ্বন্দ্বৰে আজিৰ পৃথিৱীৰ প্ৰতিখন সমাজ ভাৰাক্ৰান্ত। পৃথিৱীৰ সকলো সংবাদ মাধ্যমতে এনেবোৰ ঘটনা ব্যাপকভাবে প্ৰচাৰিত হয়। এনে ঘটনাৱলীৰ প্ৰতিবেদন কেৱল স্থানীয় মাধ্যমতে নহয় ৰাষ্ট্ৰীয় মাধ্যমতো সবিস্তাৰে পৰিৱেশিত হয়, কিয়নো এনে বাতৰিৰ গুৰুত্ব থকাৰ লগতে মানুহৰ মাজত যথেষ্ট আৱেগ আৰু ঔৎসুক্য জগাই তোলে। অৱশ্যে সংঘাতৰ প্ৰতিবেদন আগবঢ়াওতে যথেষ্ট সাৱধানতা আৰু সংযমশীলতা অৱলম্বন কৰিব লাগে, যিহেতু, এই বিষয়বোৰ খুব সংবেদনশীল। সংবাদ মাধ্যমে ঘটনাটো ত্ৰুটিপূৰ্ণভাৱে উপস্থাপন কৰিলে পৰিস্থিতিটো অধিক বেয়াৰ ফালে ঢাল খাই আৰু ক্ষতিৰ পৰিমাণ বেছি কৰিব পাৰে। কোনো কোনো সময়ত শান্তিপূৰ্ণ পৰিৱেশ বৰ্তাই ৰাখিবলৈ সংবাদ মাধ্যমে কিছুমান বিশেষ তথ্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকিব লাগে।

নৈকট্য (Proximity)

স্থানীয় বাতৰি সদায়েই সাধাৰণ মানুহৰ বাবে কৌতূহলজনক। পঢ়ুৱৈজন য'তেই নাথাকক কিয়, যেতিয়া স্থানীয় ঘটনা এটা বাতৰিকাকত বা দূৰদৰ্শনত বুলেটিনত প্ৰকাশিত হয়, তেতিয়া পঢ়ুৱৈসকল স্বাভাৱিকতে উৎসুক হৈ পৰে। কিয়নো তেওঁলোকে ভাবিবলৈ ধৰে যে তেওঁলোকৰ ঠাইডোখৰক যথেষ্ট গুৰুত্ব দিয়া হৈছে। তেওঁলোকৰ ঠাইখনতনো কি ঘটিছে সেই কথা জানিবলৈ স্বাভাৱিকতে পঢ়ুৱৈসকলৰ এক উৎসুকতা থাকে। দূৰণিবটীয়া ঠাইতকৈ তেওঁলোকৰ অঞ্চলটোত; যেনে— বজাৰত, কাষৰীয়া ঠাইত বা স্থানীয় মানুহৰ কি হৈছে সেইবোৰ কথা জানিবলৈ তেওঁলোকৰ আগ্ৰহ বেছি। সেইবাবেই বাতৰিকাকতৰ পৃষ্ঠাত স্থানীয় বাতৰিৰ বাবে যথেষ্ট ঠাই ৰখা হয়। ডাঙৰ কাকত প্ৰতিষ্ঠানে পঢ়ুৱৈৰ সংখ্যা বঢ়াবলৈকেও স্থানীয় বাতৰিত গুৰুত্ব দিয়া দেখা যায়। ইয়াৰ বাবে তেনে প্ৰতিষ্ঠানে দেশৰ প্ৰায়বোৰ ৰাজ্যৰ পৰা যোৱা কেইবছৰত স্থানীয় সংস্কৰণ প্ৰকাশ কৰিছে। নৈকট্য বুলি কওঁতে ভৌগোলিক দূৰত্বতকৈ আন কিছুমান কথাকো বুজোৱা হৈছে। মানসিক নৈকট্যও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। সেয়েহে বিদেশত কোনো এজন ভাৰতীয় পুৰস্কৃত হ'লে সেয়া আমাৰ বাবে ডাঙৰ খবৰ।

তলৰ বাতৰিটো ২০১৬ চনৰ ২৭ ফেব্ৰুৱাৰীত দ্য আছাম ট্ৰিবিউনত প্ৰকাশিত হৈছিল। বাতৰিটোৰ বিষয়বস্তু হ'ল তেজপুৰ বিশ্ববিদ্যালয়ে ভাৰতৰ শ্ৰেষ্ঠ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বঁটা লাভ কৰিছে। অসমৰ মানুহৰ বাবে বাতৰিটো গুৰুত্বপূৰ্ণ কিয়নো ৰাজ্যখনৰ বিশ্ববিদ্যালয় এখনে এটা সন্মানজনক বঁটা লাভ কৰিছে।

তেজপুৰ বিশ্ববিদ্যালয়লৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় বঁটা

তেজপুৰ, ফেব্ৰুৱাৰী ২৭ ঃ কেন্দ্ৰীয় মানৰ সম্পদ বিকাশ মন্ত্ৰালয়ে তেজপুৰ বিশ্ববিদ্যালয়লৈ সন্মানীয় 'শ্ৰেষ্ঠ কেন্দ্ৰীয় বিশ্ববিদ্যালয় বঁটা' আগবঢ়াইছে।

কেন্দ্ৰীয় মানৰ সম্পদ বিকাশ মন্ত্ৰালয়ৰ উদ্ধৃতি দি তেজপুৰ বিশ্ববিদ্যালয়ৰ সৰ্বাত্মক উন্নয়ন বিভাগৰ নিৰ্দেশক ড° ৰাজীৱ কুমাৰ দলেই এই সংবাদদাতাৰ সৈতে বোৱা টেলিফোন বাৰ্তালাপত এইবুলি কয় যে ভাৰতৰ আগশাৰীৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়বোৰৰ মাজৰ পৰা এই বঁটাৰ বাবে তেজপুৰ বিশ্ববিদ্যালয়ক বাছনি কৰা কথাটোৱে তেজপুৰ আৰু ছবছৰীয়া অসম আন্দোলনৰ ছহিদসকলৰ বাস্তৱ ৰূপ লোৱা ইচ্ছা এটাৰ মৰ্যাদাক প্ৰতিফলিত কৰিছে।

পৰিচিতি (Prominence)

প্ৰখ্যাত ব্যক্তি,আলোড়নকাৰী ঘটনা আৰু পৰিচিত ঠাই সদায়েই বাতৰিৰ উৎস। বাতৰি কাকত বা দূ ৰদৰ্শনৰ বাতৰিত সদায় একেই ৰাজনীতি আৰু তাৰকাই কিয় প্ৰাধান্য লাভ কৰে সেই কথা নিশ্চয় আপুনিও কেতিয়াবা ভাবিছে। জনপ্ৰিয় ৰাজনৈতিক নেতা, জনপ্ৰিয় চলচ্চিত্ৰ তাৰকা, খেলুৱৈ, বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত গণ্য-মান্য ব্যক্তিসকলে সদায়েই বাতৰিৰ সৃষ্টি কৰে কিয়নো পঢ়ুৱৈ আৰু দৰ্শকসকলে তেওঁলোকক পূজা কৰে আৰু তেওঁলোকৰ বিষয়ে; যেনে— তেওঁলোকৰ

জীৱনধাৰা, তেওঁলোকে কি ভাল পায়, কি বেয়া পায়, ইত্যাদি সকলো জানিবলৈ আগ্ৰহী হৈ থাকে। তেওঁলোকৰ বাবে এনেধৰণৰ লোক আৰ্হি পুৰুষ; সেয়েহে তেওঁলোকৰ কাম-কাজৰ বাতৰিয়ে অনুৰাগীসকলক আকৰ্ষণ কৰাটো নিশ্চিত। ৰাজনৈতিক নেতা, উদ্যোগপতিসকল সদায়েই বাতৰিৰ শিৰোনাম দখল কৰি থকা ব্যক্তি। কেতিয়াবা প্ৰখ্যাত ঠাই এডোখৰো বাতৰি হ'ব পাৰে। যেনে— ভাৰতৰ প্ৰধান মহানগৰকেইখন দিল্লী, মুম্বাই , চেন্নাই, কলকাতা আদি আৰু বিদেশৰ কিছুমান মহানগৰো বাতৰিৰ উৎস। এনেবোৰ ঠাইৰ ঘটনাই বহুতকে প্ৰভাৱিত কৰে। সেয়েহে তেনেবোৰ ঠাইৰ বাতৰিয়েও পঢ়ুৱৈৰ কৌতূহল বৃদ্ধি কৰে। আনহাতে আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্য মেলা, এক্সপ', বা ফেশ্ব'ন শ্ব', চলচ্চিত্ৰ মহোৎসৱ, আন্তঃ ৰাষ্ট্ৰীয় সন্মিলন আৰু আলোচনা চক্ৰ ইত্যাদিয়ে বাতৰিকাকতৰ শিৰোনাম দখল কৰি থাকে।

প্ৰভাৱ বা পৰিণাম (Impact or Consequence)

কোনো এটা ঘটনাই মানুহৰ মনত যিধৰণৰ প্ৰভাৱ পেলাব পাৰে সেয়াও বাতৰিৰ আন এটা বৈশিষ্ট্য। কোনো এটা ঘটনাই বহুত মানুহক প্ৰভাৱিত কৰাকৈ ঘটনাপ্ৰৱাহ সৃষ্টি কৰিলে তাৰ বাতৰি-মূল্যও বেছি হয়। ভয়াৱহ দুৰ্যোগ, ভূমিকম্প, বানপানী, প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক উত্থান-পতন, অৰ্থনৈতিক সংকট, ডাঙৰ দুৰ্ঘটনা আদিয়ে সাধাৰণ মানুহৰ জীৱনত প্ৰভূত প্ৰভাৱ পেলায়। কাৰোবাৰ ঘৰ এটা ভস্মীভূত হোৱা ঘটনাৰ পৰিণাম নগণ্য হ'ব পাৰে, কিন্তু হেজাৰ হেজাৰ লোকৰ জীৱন আৰু ঘৰ-বাৰী মহটিয়াই যোৱা ছুনামীৰ পৰিণাম তাৰ তুলনাত বহুত বেছি হ'ব। বাতৰিকাকতৰ পৃষ্ঠাত এনে দুৰ্যোগৰ বিৱৰণ প্ৰকাশ পালে মানুহ আৱেগিক হৈ পৰে। কিয়নো এনে ঘটনাই মানুহৰ জীৱনক বহুত ধৰণে প্ৰভাৱিত কৰে।

এইবাৰ ২০১৬ চনৰ ২০ মে'ত দ্য চেণ্টিনেল কাকতত প্ৰকাশিত বাতৰি এটালৈ মন কৰক। বাতৰিটোত অসমত সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলক পৰাজিত কৰি বিজেপি দলে জয়লাভ কৰা কথাটো আলোকপাত কৰা হৈছে। বাতৰিটোত অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে সৰ্বানন্দ সোণোৱালৰ বাট প্ৰশস্ত হোৱা কথাটোৱেও গুৰুত্ব লাভ কৰিছে।

২৪ মে'ত সোণোৱালে মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিব

গুৱাহাটী, মে' ২০ঃ ভাৰতীয় জনতা পাৰ্টিৰ নেতা সৰ্বানন্দ সোণোৱালে মংগলবাৰে আয়োজিত এখন ৰাজহুৱা সভাত অসমৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বিজেপি সভাপতি অমিত শ্বাহৰ উপৰি প্ৰায় দহখন এনডিএ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰী এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

বিজেপি-এ দেশৰ সকলোবোৰ বিজেপি শাসিত আৰু ইয়াৰ মিত্ৰজোঁট চৰকাৰ থকা ৰাজ্যবোৰৰ মুখ্যমন্ত্ৰীসকলৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰীক শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছে।

খানাপাৰাত থকা পশুচিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত শপত গ্ৰহণ সমাৰোহ অনুষ্ঠিত হ'ব। এই উপলক্ষে আয়োজিত সভাত প্ৰধানমন্ত্ৰীয়ে ভাষণ দিব বুলি আশা কৰা হৈছে।

বিকাশ (Progress)

দেশৰ উন্নয়ন আৰু সমৃদ্ধি সম্পৰ্কীয় তথ্য সদায়ে বাতৰি হৈ থাকে। প্ৰতিখন সমাজতে সমস্যা আৰু সংঘাত আছে ; সেইবোৰ সংবাদ মাধ্যমত প্ৰাধান্য পোৱাটো বাঞ্ছনীয়। এই সম্পৰ্কীয় তথ্য সদায়ে গুৰুত্বপূৰ্ণ। সেয়েহে কোনো ব্যক্তি বা সমাজৰ সাফল্য অথবা বিজয়ৰ কাহিনী আৰু বিকাশ বাতৰিৰ বিষয় হ'ব পাৰে।

দুৰ্যোগ (Disaster)

যিকোনোধৰণৰ দুৰ্যোগেই বাতৰি হ'ব পাৰে। প্ৰাকৃতিক দুৰ্যোগ; যেনে— ভূমিকম্প, বানপানী, অগ্নিকাণ্ড, খহনীয়া, আগ্নেয়গিৰি, চাইক্ল'ন (ঘূৰ্ণীবতাহ) আদিয়ে গৰিষ্ঠসংখ্যক লোকৰ জীৱন বিপন্ন কৰিব পাৰে বাবে সদায়ে বাতৰি হৈ পৰে।এনে দুৰ্যোগে বহুত লোকৰ প্ৰাণ নাশ কৰাৰ লগতে সা-সম্পত্তি নষ্ট কৰে, পৰিৱেশ বিপন্ন কৰে। এনে ঘটনাই সমাজৰ বেছি ভাগ লোকৰ মনতে উদ্বেগৰ সৃষ্টি কৰে।

তলৰ বাতৰিটো ২০১৬ চনৰ ১৮ মে' তাৰিখে দ্য চেণ্টিনেল কাকতত প্ৰকাশিত হৈছিল। ভাৰতৰ উত্তৰ-পূব অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলন বাতৰিটোৰ মূল বিষয়বস্তু।

ভূমিস্খলনত ১১ জনৰ মৃত্যু

গুৱাহাটী, মে' ১৮ ঃ চৰকাৰী সূত্ৰই বুধবাৰে জনাইছে যে ধাৰাসাৰ বৰষুণ আৰু ভূমিস্খলনে আকৌ এবাৰ দক্ষিণ অসমৰ ৰে'লসেৱা ব্যাহত কৰাৰ লগতে ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামত যথেষ্ট ক্ষতিসাধন কৰিছে।

প্ৰবল বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰত অসমৰ বৰাক উপত্যকাৰ কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাত দহজন লোকৰ মৃত্যু হৈছিল। পুৱতি নিশা হোৱা ভূমিস্খলনত কৰিমগঞ্জ জিলাৰ চুনেইছেৰাত একেটা পৰিয়ালৰে পাঁচজন সদস্যৰ মৃত্যু হৈছে। প্ৰবল বৰষুণত খহি পৰা মাটিয়ে পাহাৰৰ নামনিৰ ঘৰ এটা পুতি পেলোৱাৰ ফলত পৰিয়ালটিৰ পাঁচজন সদস্য কৰুণভাৱে মৃত্যুমুখত পৰে বুলি আৰক্ষীক পি.আৰ.কৰে জানিবলৈ দিছে।

মানৱীয় আগ্ৰহ (Human Interest) ঃ

এনে কাহিনীবোৰে সাধাৰণ মানুহৰ আকৰ্ষণ বৃদ্ধি কৰে। কাৰণ মানুহবোৰৰ কাৰণে এনে কাহিনীৰ পৰিৱেশ চিনাকি অথবা তেওঁলোকে নিজকে পৰিৱেশটোত কল্পনা কৰি ল'ব পাৰে। মানৱীয় আগ্ৰহৰ কাহিনীবোৰে মানুহৰ আৱেগক আলোড়িত কৰে। সেয়েহে এনে ঘটনা ভাল বাতৰি হ'ব পাৰে। এটা মানৱীয় আগ্ৰহ জড়িত কাহিনীলৈ মন কৰক। এজনী পাকিস্তানী সৰু ছোৱালীৰ জন্মগত হৃদৰোগ ধৰা পৰিছে। তাইক অস্ত্ৰোপচাৰৰ প্ৰয়োজন। কিন্তু পাকিস্তানত তেনে অস্ত্ৰোপচাৰৰ বাবে প্ৰয়োজনীয় সা-সুবিধা নাই। ছোৱালীজনীৰ মাক-দেউতাকে দিল্লীৰ ৰ'টাৰী ক্লাবৰ সৈতে যোগাযোগ কৰিছে। ক্লাবে পৰিয়ালটোৰ যাত্ৰাব্যয় বহন কৰাৰ সিদ্ধান্ত লৈছে। তাৰ পাছত নতুন দিল্লীৰ এপ'ল' হাস্পতালত ছোৱালীজনীৰ চিকিৎসা আৰম্ভ হৈছে।

হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ হৈ যোৱাৰ পাছত ছোৱালীজনীৰ স্বাস্থ্য দ্ৰুত গতিত ভাল হৈ আহিছে। পাকিস্তানলৈ উভতি গৈ পৰিয়ালটোৱে তেওঁলোকক 'জীৱন উপহাৰ' দিয়া বাবে ৰ'টাৰী ক্লাবৰ সদস্যসকলক আৰু হাস্পতাল কৰ্তৃপক্ষক কৃতাজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছে।

সাময়িক প্ৰকৃতি (Currency)

বাতৰি সাময়িক ঘটনাৰ ভিত্তিত সৃষ্টি হয়। সেয়েহে অতীতৰ ঘটনাতকৈ এইমাত্ৰ ঘটা ঘটনাবোৰত অধিক গুৰুত্ব আৰোপ কৰা হয়।

অভিনৱত্ব (Novelty)

অন্যান্য আৰু ব্যতিক্ৰমধৰ্মী ঘটনা কিছুমান বাতৰি হৈ পৰে। উদাহৰণস্বৰূপে পানীৰ তলত এহাল যুৱক-যুৱতীৰ বিয়াৰ দৰে ঘটনা এটা স্বাভাৱিকতে বাতৰি হৈ পৰে। তেনেদৰে গীণিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডচ্-অত সন্নিৱিষ্ট হোৱা ঘটনায়ো বাতৰি সৃষ্টি কৰে।

উপযোগিতা (Usefulness)

কেতিয়াবা কিছুমান বাতৰিয়ে মানুহক বিভিন্ন ধৰণে সহায় কৰে। যেনে- আপুনি নিশ্চয় মন কৰিছে যে বতৰ বেয়া হ'লে বতৰৰ আগজাননীৰ জৰিয়তে মাছমৰীয়াসকলক সাগৰলৈ নাযাবলৈ সকীয়াই দিয়া হয়। বাতৰি-কাকতবোৰে বিভিন্ন ধৰণৰ সহায় আৰু সহযোগিতাৰ বাবে থানা, হাস্পতাল, এম্বুলেন্স সেৱা আদিৰ ফোন নম্বৰ প্ৰকাশিত কৰে।

শৈক্ষিক মূল্য (Educational Value) ঃ

বাতৰিবোৰৰ একোটা শৈক্ষিক মূল্যও থাকে। আজিকালি প্ৰায় আটাইবোৰ বাতৰি-কাকততে শিক্ষা আৰু চাকৰি সম্পৰ্কীয় বহুতো স্তম্ভ থাকে। এবোৰে আগ্ৰহী পঢ়ুৱৈক বিভিন্ন শৈক্ষিক পাঠ্যক্ৰম অথবা সুলভ বৃত্তি বিকল্প, উচ্চ শিক্ষাৰ সুবিধা আদিৰ বিষয়ে লাগতিয়াল তথ্যৰ যোগান ধৰে। এনে বাতৰিয়ে আমাক অধিক জনসমৃদ্ধ কৰে। দ্য টাইমচ্ অব্ ইণ্ডিয়া কাকতৰ সৈতে থকা পৰিপূৰক কাকত টাইমচ্ এচেণ্টত বিভিন্ন চাকৰিৰ খবৰ ছপা কৰা হয়।

মানৱ অধিকাৰৰ সৈতে জড়িত বাতৰিবোৰবোৰো বাতৰি প্ৰমূল্য থাকে। মানৱ অধিকাৰৰ প্ৰতি সজাগতাই সাংবাদিকসকলক বিভিন্ন ধৰণে উপকৃত কৰিছে। ঘটনা এটাক মানৱ অধিকাৰৰ স্বীকৃত মানৱ সৈতে যুক্ত কৰি উপস্থাপন কৰিব পাৰিলেই ঘটনা অধিক 'বাতৰিযোগ্য' হৈ পৰে।

অৰ্থাৎ আমি ক'ব পাৰোঁ যে তথ্যক বাতৰিযোগ্য কৰি তোলা গুণবোৰেই বাতৰি প্ৰমূল্য। সংবাদ মাধ্যমে দৰ্শক-শ্ৰোতা-পাঠকৰ আগ্ৰহ আকৰ্ষণ কৰিব বুলি ভবা গুণবোৰেই বাতৰি প্ৰমূল্য।



অনুশীলনী ৭.১

১। যিকোনো এদিনৰ বাতৰি-কাকত এখন লওক। বিভিন্ন বাতৰি প্ৰমূল্য থকা বাতৰি চিনাক্ত কৰক। তালিকাখন প্ৰস্তুত কৰাৰ সময়ত কোনটো বাতৰিয়ে কেনেধৰণৰ আৰু কিয় কোনো নিৰ্দিষ্ট বাতৰিযোগ্যতা প্ৰদৰ্শন কৰে সেয়া টুকি যাওক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংবাদদাতাসকলে বাতৰিৰ সময়োচিত পৰিৱেশনত কিয় জোৰ দিব লাগে?

.....

প্ৰশ্ন নং ২ ঃ 'প্ৰভাৱ'ক (impact) বাতৰিৰ এটা বৈশিষ্ট্য বুলি গণ্য কৰিব পাৰি নেকি?

.....

প্ৰশ্ন নং ৩ ঃ মানৱীয় আগ্ৰহৰ কাহিনী মানে কি?

.....

প্ৰশ্ন নং ৪ ঃ কোনবোৰ বাতৰি হ'ব পৰা ঘটনাৰ 'অভিনৱ' (novelty) বাতৰি মূল্য থাকে?

.....



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি পঢ়াৰ পাছত আমি গম পালোঁ যে-

- বাতৰি প্ৰমূল্য হ'ল বাতৰিৰ বৈশিষ্ট্য। এই বিশেষ গুণবোৰৰ আধাৰত ঘটনা এটাই বাতৰি হোৱাৰ যোগ্যতা আহৰণ কৰে।
- বাতাৰি হ'বলৈ ঘটনাবোৰ নতুন, শেহতীয়া, এই সময়ত ঘটা হ'ব লাগিব। পুৰণি বাতৰিবোৰ বৈশিষ্ট্যহীন বাতৰি হৈ পৰে বাবে তাৰ কোনো মূল্য নাথাকে। যিটো সংবাদ মাধ্যমত কোনো এটা বাতৰি প্ৰকাশিত অথবা সম্প্ৰচাৰিত হয় সেই মাধ্যমটোৰ প্ৰকাশন চক্ৰটোৰ আধাৰত বাতৰিবোৰৰ সময়োপযোগিতা নিৰ্ণীত হয়।
- জনসাধাৰণৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পৰা বিশেষ ঘটনাক বাতৰি বুলি ধৰিব লাগে।
- বিখ্যাত ব্যক্তি, বিখ্যাত ঘটনা আৰু বিখ্যাত স্থানে সদায় বাতৰিৰ সৃষ্টি কৰে।
- কোনো ঘটনাই মানুহৰ মনত কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে সেয়াও বাতৰি প্ৰস্তুত কৰাৰ সময়ত মনত ৰাখিবলগীয়া এটা বৈশিষ্ট্য।
- কোনো দেশৰ উন্নয়ন আৰু প্ৰগতি বিষয়ক তথ্যবোৰে সদায় বাতৰিৰ সৃষ্টি কৰে।
- কিছুমান ঘটনা অথবা কাহিনীয়ে মানুহৰ মনত আৱেগৰ উদ্ৰেক কৰে। এনে ঘটনাবোৰ হাস্যৰসাত্মক, আচহুৱা, মনোবল বৃদ্ধিকাৰী অথবা নাটকীয় হ'ব পাৰে। এনে কাহিনীবোৰে সাধাৰণ মানুহৰ আকৰ্ষণ বৃদ্ধি কৰে। কাৰণ মানুহবোৰৰ কাৰণে এনে কাহিনীৰ পৰিৱেশ

চিনাকি অথবা তেওঁলোকে নিজকে পৰিৱেশটোত কল্পনা কৰি ল'ব পাৰে। মানৱীয় আগ্রহৰ কাহিনীবোৰে মানুহৰ আৱেগক আলোড়িত কৰে। সেয়েহে এনে ঘটনা ভাল বাতৰি হ'ব পাৰে।

- অনন্য, নতুন আৰু অগতানুগতিক কাহিনী অথবা ঘটনাই বাতৰিৰ সৃষ্টি কৰে।

৭.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Shrivastava K.M. (1987). News Reporting and Editing. New Delhi: Sterling
2. Aggarwal, Vir Bala (2006). Essentials of Practical Journalism. New Delhi : Concept Publishing Company
3. Lorenz, Alfred Lawrence , Vivian , John (2006). News, Reporting and Writing. New Delhi: Dorling Kindersley (India) Pvt. Ltd.

৭.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সংবাদদাতাসকলে বাতৰিৰ সময়োচিত পৰিৱেশনত জোৰ দিব লাগে। অন্যথা বাতৰিবোৰে ভাৰসাযোগ্যতা আৰু মৌলিক অর্থ হেৰুৱাই পেলাব। ইয়াৰ উপৰি, দর্শক-পাঠকেও পুৰণি বাতৰিৰ প্রতি আকর্ষিত নহ'ব।

২ নং প্রশ্নৰ উত্তৰ ঃ কোনো ঘটনাই মানুহৰ মনত কেনেধৰণৰ প্রভাৱ পেলাব পাৰে সেয়াও বাতৰি প্রস্তুত কৰাৰ সময়ত মনত ৰাখিবলগীয়া এটা বৈশিষ্ট্য। যি ঘটনাই বহুতো মানুহক প্রভাৱিত কৰিব পৰা আন বহুতো গুৰুত্বপূর্ণ ঘটনাৰ ক্রম সৃষ্টি কৰে অথবা সৃষ্টি কৰিব পাৰে তেনে ঘটনাক 'বাতৰি যোগ্য' বুলি কোৱা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ মানৱীয় আগ্রহৰ কাহিনী মানে হ'ল এনে কিছুমান ঘটনা অথবা কাহিনী যিবোৰে মানুহৰ মনত কিছুমান আৱেগৰ সৃষ্টি কৰে। এনে কাহিনী অথবা ঘটনা হাস্যৰসাত্মক, আচহুৱা, মনোবল বৃদ্ধিকাৰী অথবা নাটকীয় হ'ব পাৰে। এনে ঘটনা অথবা কাহিনী সাধাৰণ লোকৰ সৈতে জড়িত বাবে মানুহে এইবোৰৰ সৈতে একাত্মবোধ কৰিব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ বাতৰিযোগ্য ঘটনা অনন্য, নতুন আৰু অগতানুগতিক প্রকৃতিৰ হয়, তেনে ঘটনাবোৰৰে 'অভিনৱ' বাতৰি প্রমূল্য থাকে বুলি কোৱা হয়।